জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৭০/২০১৯

# ষট্ পূজা উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শুভেচ্ছা

**দিছপুৰ, ১৯ নৱেম্বৰ ঃ** ষট্ পূজা উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই পূজাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশে সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত নতুন আশা সঞ্চাৰিত কৰি সকলোকে নতুন উদ্যমৰে ৰাজ্যখনৰ উন্নয়ন আৰু  প্ৰগতিৰ দিশত কৰ্মত ব্ৰতী হোৱাৰ বাবে অনুপ্ৰেৰণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজি এক শুভেচ্ছাবাণীত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আলোকে পথৰ সন্ধান দিয়ে। আলোকৰ প্ৰতীক সূৰ্যক আৰাধনাৰে ষট্ পূজা অনুষ্ঠিত কৰা হয়। এই ষট্ পূজা কেৱল এক ধৰ্মীয় তথা আধ্যাত্মিক উৎসৱেই নহয়, ইয়াৰ জৰিয়তে জনসাধাৰণৰ মাজত থকা সাতামপুৰুষীয়া ভাতৃত্ববোধ আৰু একতাৰ এনাজৰি সুদৃঢ় হয়। প্ৰতিবছৰে এই পূজা যথেষ্ট উলহ-মালহেৰে পালন কৰা হয় যদিও এইবাৰ কৰ’না সৃষ্ট পৰিস্থিতিৰ পৰিপ্ৰেক্ষিটত সজাগ আৰু সচেতনতাৰে প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়ম কঠোৰভাৱে মানি চলি এই পূজা উদ্‌যাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ষট্ পূজাৰ ঐতিহ্য আৰু তাৎপৰ্যৰ দিশসমূহ গভীৰভাৱে অনুধাৱন কৰি ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত বৰ্তী থকা শান্তি আৰু সমন্বয়ৰ পৰিৱেশ অক্ষুণ্ণ ৰাখি ৰাজ্যখনক প্ৰগতিৰ দিশেৰে আগুৱাই নিয়াৰ বাবে সকলোৰে অহোপুৰুষাৰ্থ কৰিব লাগিব বুলি তেওঁ কয়। ষট্ পূজাৰ এই পৱিত্ৰক্ষণত মুখ্যমন্ত্ৰীয়ে সকলোকে শুভেচ্ছা জনোৱাৰ উপৰি এই পূজাৰ জৰিয়তে আমাৰ আধ্যাত্মিক আৰু মানৱীয় অনুভূতি অধিক শক্তিশালী হ’ব বুলি আশা প্ৰকাশ কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৯/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in